# ECHO OF HIS CALL

ASSAMESE

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor: Sis. Bornali Thapa Raj

Vol. XXII YEAR OF OUR LORD JESUS CHRIST, APRIL 2022 No. 10


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক !

### ১ যোহন ৪ঃ৭-১৪

৭। হে প্ৰিয়বিলাক, আহা আমি পৰস্পৰে প্ৰেম কৰোঁহক; কিয়নো প্ৰেম ঈশ্বৰৰ পৰা হয় আৰু যিকোনোৱে প্ৰেম কৰে তেওঁ ঈশ্বৰৰ পৰা জন্ম পোৱা আৰু তেওঁ ঈশ্বৰক জানে।

৮। যিজনে প্ৰেম নকৰে, তেওঁ ঈশ্বৰক নাজানে; কিয়নো ঈশ্বৰ প্ৰেম।

৯। ঈশ্বৰৰ একজাত পুত্ৰৰ দ্বাৰাই আমি জীৱন লাভ কৰিবলৈ ঈশ্বৰে যে তেওঁক জগতলৈ পঠালে, ইয়াতে আমালৈ ঈশ্বৰৰ প্ৰেম প্ৰকাশিত হ'ল।

১০। ঈশ্বৰক যে আমি প্ৰেম কৰিলো এনে নহয় কিন্তু তেওঁহে আমাক প্ৰেম কৰিলে আৰু আমাৰ পাপৰ প্ৰায়শ্চিত্ত হ'বলৈ নিজ পুত্ৰক পঠাই দিলে, ইয়াতেই প্ৰেম আছে।

১১। হে প্ৰিয়বিলাক, ঈশ্বৰে আমাক যদি এনে প্ৰেম কৰিলে, তেন্তে আমিও পৰস্পৰে প্ৰেম কৰা উচিত।

১২। ঈশ্বৰক কোনেও কেতিয়াও দেখা নাই, আমি যদি পৰস্পৰে প্ৰেম কৰো, তেন্তে ঈশ্বৰ আমাত থাকে আৰু তেওঁৰ প্ৰেম আমাত সিদ্ধ হয়।

১৩। আৰু তেওঁ আমাত নিজ অংশ দান কৰাত, তেওঁ যে আমাত থাকে আৰু আমিও যে তেওঁত থাকো, ইয়াকে জানো।

১৪। আৰু জগতৰ ত্ৰাণকৰ্তা হ'বলৈ, পিতৃয়ে যে পুত্ৰক পঠাই দিলে, ইয়াকে দেখি, আমি সাক্ষ্য দিছো।

## যীচুৰ ক্ৰুচ ! THE CROSS OF JESUS!

ভাই এম, পৌলৰাজ

"কাৰণ সেই ক্ৰুচৰ কথা বিনাশৰ পাত্ৰবিলাকলৈ মুৰ্খতা;
কিন্তু পৰিত্ৰাণৰ পাত্ৰ যি আমি,
আমালৈ ঈশ্বৰৰ শক্তিস্বৰূপ"- (১ কৰিন্থীয়া ১ঃ১৮)

এসময়ত ক্ৰুচক অভিশাপৰ এটা চিন হিচাবে গণ্য কৰা হৈছিল। কিন্তু যীচুখ্ৰীষ্টৰ ক্ৰুচীয় মৃত্যুৰ কাৰণে ক্ৰুচক আৰু কেতিয়াও অভিশাপৰ চিন হিচাবে দেখা নাযায়, কিন্তু পৰিত্ৰাণৰ আৰু প্ৰেমৰ চিন হিচাবে দেখা যায়। আজি, হাজাৰ হাজৰ আৰু মহিলাই ক্ৰুচক প্ৰেম আৰু আশীৰ্বাদৰ চিন হিচাবে তেওঁলোকৰ ডিঙিত পিন্ধে। বাইবেলত লিখা আছে, "যিজনক কাঠত অৰা হয়, তেওঁ শাপগ্ৰস্ত" (গালাতীয় ৩ঃ১৩)। কিন্তু যীচু খ্ৰীষ্টই ইয়াক পৰিত্ৰাণ আৰু প্ৰেমৰ এটা চিনত পৰিণত কৰিলে যীচুখ্ৰীষ্টই ক্ৰুচত মৃত্যু হ'বলৈ বাচি লোৱা নাছিল কিন্তু যিহূদা আৰু ৰোমীয়াবিলাকে তেওঁক অপৰাধী সজাই ক্ৰুচত আঁৰি মাৰিলে !

### এই বিশ্বই কি ভাৱে দেখে ?

এই বিশ্বই কি ভাৱে ক্ৰুচত যীচুৰ মৃত্যুক দেখে? এই ২০ শতিকাৰ ব্ৰিটিচ কবি আৰু দাৰ্শনিক, টি, এচ ইলিয়টে ক'লে, "ক্ৰুচ হৈছে সৰ্বোচ্চ বলিদানৰ এটা প্ৰতীক। ক্ৰুচ হৈছে এই পৃথিৱীলৈ সকলো সময়ত দিয়া এটি উত্তৰাধিকাৰী ভাৰতৰ মহান দাৰ্শনিক ডাক্তৰ, এচ ৰাধাকৃষ্ণনে কৈছিল, "ক্ৰুচ হৈছে-দুঃখ আৰু কষ্টৰ এটা প্ৰতীক"। ১৫ শতিকাৰ কবি আৰু দাৰ্শনিক থমাছ এ, কেম্পিছে তেওঁৰ এখন খ্ৰীষ্টৰ অনুকৰণ নামৰ পুস্তিকাত কৈছিল, "ক্ৰুচ হৈছে পৰিত্ৰাণ, ক্ৰুচ হৈছে জীৱন, ক্ৰুচ হৈছে আমাৰ শত্ৰুৰ পৰা সুৰক্ষিত, ক্ৰুচে স্বৰ্গৰ ধাৰ্মিকতাক দিয়ে, ক্ৰুচ হৈছে কল্যাণৰ শীৰ্ষ আৰু ক্ৰুচ হৈছে পবিত্ৰতাৰ পৰিপূৰ্ণতা"। পৌলৰ মতে, ৰক্ষা পোৱাবিলাকৰ বাবে, এইটো হৈছে ঈশ্বৰৰ শক্তি"।

বহুত জাগতিক মানুহে কয় যে ক্ৰুচৰ বাৰ্তাটো হৈছে মুৰ্খতা। কিন্তু আমি ৰক্ষা পোৱাবিলাকৰ বাবে, এইটো হৈছে ঈশ্বৰৰ শক্তি। ক্ৰুচক ধ্যান কৰাৰ দ্বাৰাই আমি অনুপ্ৰেৰণা পাঁও।

### ক্ৰুচবিদ্ধকৰণৰ ভয়াবহতা !

যীচুৱে জানিছিল যে তেওঁ ক্ৰুচত মৰিব, কিয়নো সেইটো অপৰাধীবিলাকক দিয়া সৰ্বাধিক শাস্তি আছিল! কুখ্যাত যিহূদা আৰু ৰোমিয়াবিলাকে যীচুক অপৰাধীৰ দৰে গণ্য কৰিছিল। যিহূদাবিলাকলৈ তেওঁ বিধান বিৰোধী আছিল আৰু তেওঁবিলাকৰ পুৰণি পৰম্পৰাৰ প্ৰতি

৩ পৃষ্ঠাত চাওঁক

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



# আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

"... যদি বিশ্বাস কৰা তেন্তে ঈশ্বৰৰ মহিমা দেখিবলৈ পাবা"
(যোহন ১১:৪০)



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

প্ৰভু ঈশ্বৰত মোৰ প্ৰিয়সকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা, যীচু খ্ৰীষ্টৰ নামত শুভেচ্ছা জনাইছো।

আপোনালোকৰ নিৰন্তৰ প্ৰাৰ্থনা আৰু সহায়ৰ বাবে আমাৰ আটাই পৰিচৰ্য্যাসমূহ, বিশেষকৈ আমাৰ প্ৰাৰ্থনা পৰিচৰ্য্যা, ১৬ টা ভাষাৰ মাহেকীয়া আলোচনী, মণ্ডলী স্থাপন পৰিচৰ্য্যা, বাইবেল কলেজ, অনলাইন হিন্দী বাইবেল কলেজ, যোগাযোগ পাঠ্যক্ৰম, শুভবাৰ্তা ছপাশাল, শিশুবিলাকৰ পৰিচৰ্য্যা, চিকিৎসা পৰিচৰ্য্যা, গ্ৰাম্য উচ্চ বিদ্যালয়সমূহ ভালকৈ চলি আছে। ঈশ্বৰৰ এনে দয়াৰ বাবে আমি তেওঁক প্ৰশংসা কৰো।

এই সময়ত, আমি আমাৰ শুভবাৰ্তাৰ কাৰ্য্যলয়ত আৰু আমাৰ শুভবাৰ্তা পৰিচাৰক সকলে বহুত ধৰণৰ বিৰোধ আৰু বাধা পাই আছো। যেতিয়া আমি নিবিড়ভাৱে পৰ্যবেক্ষণ কৰো আমি উপলব্ধি কৰিছো যে যিবিলাক মানুহে আমালৈ সমস্যাৰ সৃষ্টি কৰিছে তেওঁবিলাকৰ বহুতে আমাৰ মণ্ডলীসমূহৰ পৰা সহায় পাইছিল আৰু তেওঁবিলাকে আমাৰ খ্ৰীষ্টিয়ান প্ৰতিষ্ঠানবিলাকত শিক্ষা গ্ৰহণ কৰিছিল। তেওঁবিলাকে অধ্যয়ন কৰা খ্ৰীষ্টিয়ান স্কুল আৰু কলেজসমূহৰ নাম উল্লেখ কৰি আনকি নিজকে গৌৰৱো কৰে। কিন্তু এতিয়া তেওঁবিলাকে খ্ৰীষ্টিয়ান সামাজিক কাম-কাজ আৰু মণ্ডলীবিলাকক ঘৃণা কৰে।

এই ঘৃণা কৰা কাৰ্য্যৰ পাছত কি কাৰণ থাকিব পাৰে? যেতিয়া আমি ইয়াৰ গভীৰতালৈ গৈ দেখো, আমি বুজি পাওঁ যে ইয়াৰ কিছু অংশ দোষ আমাৰ ওপৰতো আছে, কিয়নো আমাৰ ঈশ্বৰৰ দাসসকল আৰু শিক্ষাবিদসকল সৎ হোৱাৰ আৰু সকলোকে দয়া দেখুওৱাৰ গুৰুত্বতাৰ ওপৰত তেওঁবিলাকক প্ৰভাৱিত কৰাত ব্যৰ্থ হৈছিল। আৰু তেওঁবিলাকে প্ৰকৃত অঙ্গীকাৰৰ সৈতে কাৰ্য্যও নকৰিলে!

এই বিষয়টিক মই এটি উদাহৰণৰ সৈতে ব্যাখ্যা কৰিব বিচাৰো। মই এখন চৰকাৰী হাইস্কুলত শিক্ষা গ্ৰহণ কৰিছিলো, তাত থমাছ নামৰ এজন শিক্ষক আছিল, তেওঁ কেথলিক মণ্ডলীৰ সদস্য আছিল, আন এজন জনচন নামৰ শিক্ষক আছিল, তেওঁ আন এটা মণ্ডলীৰ সদস্য আছিল। তেওঁলোকে তেওঁলোকৰ শিক্ষা পদ্ধতিত মনোযোগত আৰু প্ৰতিভাত এটি উচ্চ মান দেখুৱাইছিল। তেওঁলোকৰ কৰ্মত, সাজ-পোচাকত আৰু শিষ্টাচাৰত তেওঁলোকে ভাল উদাহৰণ দাঙি ধৰিছিল। গতিকে বহুত ছাত্ৰ-ছাত্ৰীবিলাকে তেওঁলোকৰ গুণসমূহক গ্ৰহণ কৰিলে আৰু তেওঁলোকে সেই ধৰণৰ শিক্ষামূলক প্ৰতিষ্ঠানসমূহৰ পৰা ঈশ্বৰলৈ প্ৰকৃত ভয় আৰু ভাল চৰিত্ৰৰ সৈতে ওলাই আহিছে।

আনহাতে, আমি দেখো যে সিবিলাকে কেৱল মাথোন সহায় পাবলৈ খ্ৰীষ্টিয়ান স্কুল আৰু কলেজসমূহত আৰু গীৰ্জা উপাসনাত যোগদান কৰিছিল। বহুতে খ্ৰীষ্টিয়ান হস্পিতেলৰ পৰা বিনামূল্যত চিকিৎসা পাই নতুন জীৱন পাইছিল, এতিয়া তেওঁবিলাকে ঘৃণা কৰে আৰু ঈশ্বৰৰ বাক্যক আৰু ঈশ্বৰৰ দাসসকলক বিৰোধ কৰে ! এইটো কেৱল খ্ৰীষ্টিয়ানবিলাকৰ, খ্ৰীষ্টিয়ান কৰ্মীবিলাকৰ আৰু খ্ৰীষ্টিয়ান শিক্ষাবিদসকলৰ অৱহেলাৰ বাবেহে হ'বলৈ পাইছে ! এই ভুলৰ বাবে আমিও দোষী হ'ম। কিয়নো আমি তেওঁলোকলৈ খ্ৰীষ্টক পৰিচয় কৰাই দিয়াত ব্যৰ্থ হ'লো।

ভৱিষ্যতে, আমি খ্ৰীষ্টিয়ানবিলাকে আমাৰ জীৱনত ঈশ্বৰৰ প্ৰকৃত আহ্বানক বুজি পাব লাগিব, আমাৰ প্ৰাৰ্থনা জীৱনত ভাল উদাহৰণ ৰাখিব লাগিব, জ্ঞানেৰে কাৰ্য্য কৰিব লাগিব আৰু সামাজিক সেৱা কৰিব লাগিব, কিয়নো যিবিলাকে আমাক দেখিব তেওঁবিলাকেও আমাৰ দৰে কাৰ্য্য কৰিব আৰু ঈশ্বৰলৈ

CHIEF EDITOR
Angeline Selvakumari Henry, M.A., M.Ed.
MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager
EDITORIAL BOARD
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M.Phil., B.Ed.
EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858
E.mail ID
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call

ভয় কৰিব। আমাৰ ঈশ্বৰৰ দাসসকল, স্কুলৰ আৰু কলেজৰ শিক্ষকসকলে আমাৰ প্ৰভু যীচু খ্ৰীষ্টক আমাৰ জীৱনৰ সকলো প্ৰান্তত প্ৰতিবিম্ব কৰি সত্য খ্ৰীষ্টিয়ান জীৱন-যাপন কৰিবলৈ আগবাঢ়ি আহিব লাগিব। তেতিয়াহে আমি মানুহবিলাকক, সকলো বন্ধনৰ পৰা প্ৰকৃত উদ্ধাৰ কৰিবলৈ আশা কৰিব পাৰো।

"... তোমালোকে সত্যক জানিবা আৰু সেই সত্যই তোমালোকক মুক্ত কৰিব" — যোহন ৮ঃ৩২

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিয়ালবৰ্গই এই বিষয়টিক হৃদয়ত ৰাখক আৰু তেওঁলোকৰ প্ৰাৰ্থনাত সোঁৱৰণ কৰক!

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

**পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।**

(+91) 98412 71858 / 98410 71858

E.mail : samselvaraj333@gmail.com

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

এটা ভাবুকিস্বৰূপ আছিল। ৰোমীয়াবিলাকে যিহুদাবিলাকৰ ওপৰত তেওঁলোকৰ আধিপত্য বজায় ৰাখিবলৈ তেওঁবিলাকক শান্ত কৰিব বিচাৰিছিল। যীচুৱে তেওঁৰ ক্ৰুচবিদ্ধকৰণৰ আগেয়ে তেওঁৰ মৃত্যুৰ বিষয়ে জানিছিল। তেওঁ তেওঁৰ শিষ্যবিলাকক এই বিষয়ে কৈছিল। কিন্তু তেতিয়া তেওঁলোকে এই কথাষাৰক গুৰুত্ব সহকাৰে লোৱা নাছিল। কিয়নো তেওঁলোকে তেওঁলোকৰ ৰাব্বিৰ প্ৰতি থকা প্ৰেমৰ বাবে তেওঁলোকৰ চকু আৰু মনক অন্ধ গৈ গৈছিল।

এজন মানুহে মৃত্যুদণ্ডলৈ দোষী সাব্যস্ত হ'লে, তেওঁ জন্তুতকৈ অধিক বেয়াকৈ ব্যৱহাৰ কৰা হৈছিল। কোনেও তেওঁলোকৰ দয়া নকৰে। ক্ৰুচবিদ্ধকৰণৰ আগেয়ে, দোষী সাব্যস্ত হোৱা অপৰাধীজনক অৰ্ধনগ্ন কৰি চামৰাৰ চাবুকেৰে নিৰ্দয়তাৰে কোবোৱা হয়। চাবুকৰ শেষভাগটোত ৩ বা ৪ ডোখৰকৈ থাকে আৰু তাত ভঙা হাড় বা লোহাৰ কাঁইট বন্ধা থাকে। সিহঁতে তাক কোবাওঁতে পিঠিত এবাৰতে ৩৯ টা আঘাত কৰে আৰু পুনৰায় আঘাত কৰিবও পাৰে। সিঁহতে অপৰাধীজনক প্ৰায় প্ৰাণহীন কৰি দিয়ে। যীচুৰ কোনো দোষ নথকাৰ সত্বেও তেওঁক এইএকে ধৰণৰ শাস্তি দিয়া হৈছিল। ৰোমীয়া ৰাজ্যপাল পীলাতে ঘোষণা কৰি ক'লেঃ "মই এই মানুহত একো দোষ নাপাওঁ"। কিন্তু প্ৰধান পুৰোহিত আৰু যিহুদা লোকসমূহে যীচুক প্ৰাণদণ্ড দিবলৈ আটাহ পাৰিলে আৰু যীচুক তেওঁবিলাকে এই শাস্তি দিলে। তেওঁবিলাকে নিৰ্দোষী তেজক বোৱাই দিলে। বহুত বছৰৰ আগেয়ে গীতমালাৰ লেখকজনে ভৱিষ্যবাণীমূলকভাৱে কৈছিল, "হালোৱাই মোৰ পিঠিত হালবালে; সিঁহতে দীঘলকৈ সীৰলু কৰিলে" (গীতমালা ১২৯ঃ৩)

## যীচুক ক্ৰুচবিদ্ধ কৰা হৈছিল!

সাধাৰণতে ক্ৰুচবিদ্ধ কৰা ঠাইখন চহৰ/নগৰৰ পৰা দুৰত্বত থাকে। অপৰাধীজনে কাঠৰ ক্ৰুচখন কান্ধত তুলি ৰাস্তাৰ মাজেদি উক্ত স্থানলৈ কঢ়িয়াই লৈ গৈছিল। অপৰাধীজনক দোষী সাব্যস্ত কৰাৰ অপৰাধটোক এখন বোৰ্ডত লিখা থাকিব আৰু তাৰ ডিঙিত ওলমাই দিয়া হয় যাতে আনে তাক দেখিব। সৈন্যবিলাক দয়াহীন আছিল যে তেওঁবিলাকে অপৰাধীজনৰ গুপ্ত অংগত সৰু কাপোৰ পিন্ধাই শৰীৰৰ বাকী অংগক খোলা ৰাখিছিল। সি দিনৰ প্ৰখৰ ৰ'দ আৰু ৰাতিৰ অতিপাত ঠাণ্ডাক সহ্য কৰিবলগীয়া হৈছিল। তাৰ পিঠিটো হালবোৱা পথাৰৰ দৰে হৈছিল।

উক্ত স্থানত পোৱাৰ পাছত অপৰাধীজনক কাঠৰ ক্ৰুচৰ ওপৰত হাত দুখন মেলি, ভৰি এখনৰ ওপৰত আনখন ভৰি ৰাখিবলৈ কোৱা হৈছিল। তাৰ পাছত তেওঁৰ হাত দুখন আৰু ভৰি দুখন বন্ধা হৈছিল বা গজাল মৰা হৈছিল! যীচুক শুকুৰবাৰে ক্ৰুচত গজাল মৰা হৈছিল। ক্ৰুচটোক সৰু গাঁত এটাত ভৰাই ৰছীৰ সহায়েৰে পোন কৰা হৈছিল। গজালৰে বা ৰছীৰে বন্ধা লোকজন স্বৰ্গ আৰু পৃথিৱীৰ মাজত ওলমি থাকে যিহুদাবিলাকৰ বাবে শনিবাৰ দিনাখন পবিত্ৰ দিন হয়, গতিকে তেওঁলোকে সেইদিনা মৰা শক ক্ৰুচত ওলমাই ৰাখিবলৈ অনুমতি নিদিয়ে। যদি অপৰাধীজনৰ শুকুৰবাৰে মৃত্যু হয়, তেন্তে তেওঁৰ হাত আৰু ভৰিক ভাঙি দিয়া নহয়। যদি তেওঁৰ শৰীৰত তেতিয়াও জীৱন থাকে, সৈন্যবিলাকে তেওঁৰ হাত বা ভৰিবোৰক ভাঙি দিয়ে, যাতে তেওঁৰ অধিক কষ্ট হ'ব আৰু সোনকালে মৃত্যু হ'ব। কিছুমানক পিছে বহুত দিন ধৰি ক্ৰুচতে ওলমি থকা অৱস্থাতে এৰি দিয়ে। পাগলৰ তাতে কান্দি-কান্দি থাকিব আৰু সম্পূৰ্ণ বিশৃংখলাত তাৰ জীৱনৰ শেষ হৈ যায়।

ইয়াত, যীচুৱে শুকুৰবাৰে দিনটোতেই তেওঁৰ ক্ৰুচবিদ্ধৰ ষষ্ঠ ঘণ্টাৰ পাছত প্ৰাণ ত্যাগ কৰিলে। ভাৰতীয় সময়মতে ৯ টা বজাত তেওঁক ক্ৰুচত দিয়া হৈছিল। ১২ টা বজাত পাপ, অভিশাপ আৰু ৰোগৰ কাপ খালে। আৰু ৩ টা বজাত প্ৰাণ ত্যাগ কৰিলে। গতিকে তেওঁ অঙ্গবোৰ ভঙা হোৱা নাছিল। সেনাবিলাকৰ এজনে যীচুৰ মৃত্যু নিশ্চিত কৰিবলৈ বৰছাৰে খোঁচ মাৰি তেওঁৰ কোষত বিন্ধিলে আৰু তেতিয়াই তাৰ পৰা তেজ আৰু পানী বাহিৰ ওলাল!

যীচুৱে ক্ৰুচত তলত উল্লেখ কৰা সাতটা বাণী কৈছিলঃ

১। হে পিতৃ, এওঁলোকক ক্ষমা কৰা, কিয়নো এওঁবিলাকে কি কৰিছে, তাক নাজানে (লূক ১৯ঃ৩৪)

২। মই তোমাক স্বৰূপকৈ কওঁ, তুমি আজিয়েই পৰমদেশত মোৰ সঙ্গী হ'বা (লূক ১৯ঃ৩৪)

৩। যীচুৱে তেওঁৰ মাকক ক'লে, "হে নাৰী, চোৱা, তোমাৰ পুত্ৰ" (যোহন ১৯ঃ২৬-২৭)

৪। "এলী, এলী, লামা চবক্তানী? অৰ্থাৎ হে মোৰ ঈশ্বৰ, হে মোৰ ঈশ্বৰ, কিয় মোক পৰিত্যাগ কৰিলো?" (মথি ২৭ঃ৪৬)

৫। তাৰ পাছত সকলো কৰ্ম্ম যে এতিয়া শেষ হ'ল, যীচুৱে তাকে জানি, শাস্ত্ৰীয় বচন সিদ্ধ হ'বৰ কাৰণে ক'লে, "মোৰ পিয়াহ লাগিছে?" (যোহন ১৯ঃ২৮)।

৬। তাতে যীচুৱে সেই চিৰকা পাই ক'লে, "সিদ্ধ হ'ল!" (যোহন ১৯ঃ৩০)।

৭। পাছে যীচুৱে বৰ মাতেৰে আটাহ পাৰি ক'লে, "হে পিতৃ তোমাৰ হাতত মোৰ আত্মা সমৰ্পণ কৰিছোঁ" এই বুলি তেওঁ প্ৰাণ এৰিলে (লূক ২৩ঃ৪৬)

## যীচুৱে তেওঁৰ জীৱনক পেলাই নিদিলে!

যীচুৱে এই জগতলৈ এজন নিৰ্দোষী মেৰ পোৱালীৰ দৰে, এটা "বলিদান"ৰ দৰে আহিছিল।

কিয়নো বলধ গৰু আৰু ছাগলীৰ তেজে পাপ নিওঁতা হ'বলৈ কেতিয়াও নোৱাৰে। সেই গতিকে যেতিয়া তেওঁ এই জগতলৈ আহিছিল, তেওঁ কৈছিল?

"তুমি বলিদান আৰু নৈবেদ্যলৈ ইচ্ছা নকৰিলা, কিন্তু মোলৈ শৰীৰ যুগুত কৰিলা।" "হোমত

আৰু পাপাৰ্থক বলিদানত তুমি সন্তুষ্ট নহ'লা।"

"তেতিয়া মই ক'লো, চোৱা, মই আহিলোঁ পুস্তকখনত মোৰ বিষয়ে এনে লিখা আছে, হে ঈশ্বৰ, মই তোমাৰ ইচ্ছা পালন কৰিবলৈ আহিলোঁ। (ইব্ৰী ১০ঃ ৪-৭)

গতিকে এটা বলিদানস্বৰূপে যীচুৰ মৃত্যু আগেয়ে নিৰ্দ্ধাৰিত হৈ আছিল। বাইবেলত লিখা আছে, "কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে তেওঁ একমাত্ৰ পুত্ৰকে দান কৰিলে, যি কোনোৱে তেওঁক বিশ্বাস কৰিব তেওঁ নষ্ট নহ'ব কিন্তু অনন্ত জীৱন পাব" (যোহন ৩ঃ১৬) যীচুৱেও নিজে কৈছিল, "অৰণ্যত মোচিয়ে যেনেকৈ সাপটো তুলিছিল, তেনেকৈ মানুহৰ পুত্ৰও উত্তোলিত হ'ব লাগে, যাতে তেওঁত বিশ্বাস কৰা সকলোৱে অনন্ত জীৱন পাব" (যোহন ৩ ঃ ১৪-১৫)

## যীচুৰ পুনৰুত্থান!

শুকুৰবাৰে আবেলি বেলাত যীচুৰ ক্ৰুচত মৃত্যু হৈছিল। কিন্তু তেওঁ তৃতীয় দিনাত পুনৰ জীয়াই উঠিল, দেওবাৰে অতি ৰাতিপুৱা বেলাত ! মৃত্যুৱে তেওঁক ধৰি ৰাখিব নোৱাৰিলে ! তেওঁৰ নিজ বাক্যত, তেওঁ ক'লেঃ "মই প্ৰথম আৰু শেষ আৰু জীয়াই থকা জনা। মই মৃত হ'লো আৰু চোৱা, অনন্তকাললৈকে জীয়াই আছো। আমেন। আৰু মৃত্যুৰো পৰলোকৰো চাবিবোৰ মোৰ হাতত আছে" (প্ৰকাশিত বাক্য ১ঃ১৮)।

যীচুৰ মৃত্যুৰ পুনৰুত্থানৰ আগতে, ধাৰ্মিক বিলাকৰ মাজত মৃত হোৱা লোকবিলাকে শান্তি গৃহত বিশ্ৰাম কৰি আছিল (যিচয়া ৫৭ঃ২) দুষ্টবিলাকৰ আত্মাবোৰে নিম্ন গৃহত আছিল য'ত জুই, গন্ধক আৰু শিলাবৃষ্টিৰ কেতিয়াও অন্ত হোৱা নাছিল। ধাৰ্মিকবিলাকে যদিও কোনো তাড়না পোৱা নাছিল, তথাপি তেওঁলোকক দুষ্টৰ মৃত পৰি থকা চিঞৰ আৰু ক্ৰন্দন হোৱা ঠাই ৰখা হৈছিল। যীচুৰ আত্মা নৰকলৈ উটি গৈ তাত বিশ্ৰাম লৈ থকা ধাৰ্মিক লোকবিলাকলৈ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আৰু তেওঁবিলাকক তৃতীয় স্বৰ্গ, পৰম দেশলৈ ঘূৰাই আনিলে (২ কৰিন্থীয়া ১২ঃ২-৪; ইফিচীয়া ৪ঃ৮,৯; গীতমালা ৬৮ঃ১৮)। যীচুৱে ধাৰ্মিক মৃতবিলাকক (হেবলৰ পৰা যোহন বাপ্তিষ্টলৈকে) তেওঁলোকৰ কৰ্মৰ বাবে মৰ্যাদা আৰু স্বীকৃতি দিলে। আমি আদমৰ ওপৰত বিচাৰৰ বিষয়ে ক'ব বিচৰা নাই। তেওঁ এজন প্ৰথম মানুহ হিচাবে ঈশ্বৰৰ দ্বাৰাই মনোনীত হৈছিল, গতিকে আদমে সৰ্বশক্তিমান ঈশ্বৰৰ পৰা অনুগ্ৰহ পাব পাৰে।

## যীচুৱে আন এজন সহায়কৰ্তা পঠাই!

পুনৰুত্থিত যীচু খ্ৰীষ্ট যিজন স্বৰ্গত ঈশ্বৰৰ সোঁহাতে বহি থাকে, তেওঁ এজন সহায়কৰ্তা পবিত্ৰ আত্মাক পঠিয়ালে। ইয়াক আমি পাঁচনিৰ কৰ্ম ২ঃ১ ত পাওঁ। এতিয়া, যীচু মৃত হৈ থকা নাই। তেওঁ এতিয়া একেবাৰে জীৱিত হৈ আছে আৰু আমাৰ মাজত থাকে। বাইবেলত লিখা আছে, প্ৰভু ঈশ্বৰ যিজনে তেওঁৰ একমাত্ৰ পুত্ৰক দিলে, তেন্তে কিয় তেওঁ আমালৈ সকলো বস্তু নিদিব?

"যিজনাই নিজৰ পুত্ৰকো মৰম নকৰি, আমাৰ আটাইৰে কাৰণে তেওঁক শোধাই দিলে, সেই জনাই আমাক অনুগ্ৰহ কৰি তেঁৱে সৈতে সকলো নিদিব নে?" (ৰোমীয়া ৮ঃ৩২)।

## পৌলৰ অভিজ্ঞতাটোনো কি?

ঈশ্বৰৰ লোকবিলাকলৈ পৌল এজন বিদ্ৰোহী লোক আছিল। তেওঁ এজন বিন্যামীন ফৈদৰ লোক আছিল। তেওঁ বিধান অধ্যয়ন কৰিছিল। তেওঁ এজন ফৰীচী লোক আছিল। বিধানৰ মতে তেওঁক কোনেও শাস্তি দিব নোৱাৰে। কিন্তু দম্মেচকত থকা খ্ৰীষ্টিয়ান লোকবিলাকক তাড়না কৰিবলৈ মহা পুৰোহিতৰ পৰা পত্ৰ লৈ লগত অস্ত্ৰ লৈ বন্ধুবিলাকৰ সৈতে দম্মেচকলৈ গৈ আছিল। অকস্মাতে তেওঁ এটা পোহৰৰ ৰশ্মিৰ দ্বাৰাই মাটিত পৰিল। তেওঁ চকুৰে একোকে মণিব নোৱাৰিলে। তেতিয়া প্ৰভু যীচুৱে তেওঁৰ সৈতে কথা পাতিলে, তেওঁ ক'লে, "আৰু হে চৌল, হে চৌল, মোক কিয় তাড়না কৰিছা? তেওঁলৈ কোৱা এনে বাণী শুনি তেওঁ সুধিলে, হে প্ৰভু, আপুনি কোন? তেওঁ ক'লে, যিজনক তুমি তাড়না কৰিছা, মই সেই যীচু। কিন্তু তুমি উঠা, নগৰত সোমোৱা তাতে তুমি কি কৰিব লাগে তাকে তোমাক কোৱা হ'ব?" (পাঁচনিৰ কৰ্ম ৯ঃ৪-৬)। তাত অননিয় নামৰ যীচুৰ এজন শিষ্য আছিল। তেওঁ তেওঁক লগ কৰি তেওঁৰ ওপৰত হাত দি প্ৰাৰ্থনা কৰিলে। তেওঁ দৃষ্টি ঘূৰাই পালে। প্ৰভুৱে এজন বিদ্ৰোহীক ৰজাবিলাকলৈ আৰু পৰজাতিবিলাকলৈ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ বাচি ল'লে। তেতিয়া তেওঁ যীচু খ্ৰীষ্টৰ এজন প্ৰধান শিষ্য হ'লগৈ আৰু তেওঁক খ্ৰীষ্টৰ শুভবাৰ্তা প্ৰচাৰ কৰাত আনকি মৃত্যুৰ বাবেও সাজু কৰি তোলা হৈছিল। প্ৰভুৱে সকলো মানুহকেই তেওঁক সেৱা কৰিবলৈ আহ্বান কৰে। তেওঁ তেওঁৰ শেষ নিশ্বাস থকালৈকে প্ৰভুৰ সেৱা কৰিলে !

৬ পৃষ্ঠাত চাওঁক

नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।
माध्यमः हिन्दी
सदस्यता के लिए पंजीकृत उम्मीदवार - ATA
सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान
सर्टिफिकेट इन थियोलॉजी – 1 साल
डिप्लोमा ऑफ थियोलॉजी – 2 साल
योग्यता 10 वी या अधिक
जल्दी करें!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৰা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৰা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৰা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২২ চনৰ ১৯ এপ্ৰিলৰ পৰা ২০২২ চনৰ ১৮ মে'লৈ**

## প্ৰশংসাৰ বিষয়সমূহ

এপ্ৰিল ১৯ ঃ ১৭ এপ্ৰিলৰ আমাৰ পুনৰুত্থানৰ উপাসনাবিলাকক ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২০ ঃ ঈশ্বৰে আমাক শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা বিলাবলৈ অনুগ্ৰহেৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২১ ঃ যোৱা মাহত আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাবিলাকৰ সকলো কাৰ্য্যক্ৰমত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২২ ঃ আমাৰ সকলো সহকাৰী সম্পাদক আৰু তেওঁবিলাকৰ পৰিয়ালবৰ্গৰ বাবে আমি ঈশ্বৰক প্ৰশংসা কৰোহক।

এপ্ৰিল ২৩ ঃ আমাৰ মুখ্য মণ্ডলীৰ পুৰুষসকলৰ সভাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২৪ ঃ আমাৰ ছপাশালত ১৬ টা ভাষাত ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২৫ ঃ ঈশ্বৰে আমাৰ মুখ্য আৰু শাখা মণ্ডলীবিলাকলৈ অধিক বিশ্বাসীবিলাকৰ দ্বাৰাই আশীৰ্বাদ কৰিছে।

এপ্ৰিল ২৬ ঃ আমাক প্ৰাৰ্থনা আৰু আৰ্থিক সাহাৰ্য্যৰে সহায় কৰাসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

এপ্ৰিল ২৭ ঃ ৰাজ্যিক সহ পৰিচালক আৰু তেওঁবিলাকৰ সহভাগিতাৰ বাবে প্ৰভুৰ প্ৰশংসা কৰো।

এপ্ৰিল ২৮ঃ আমাৰ মহিলাবিলাকৰ সভাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২৯ ঃ আমাৰ হিন্দী অনলাইন থিয়'ল'জিকেল পাঠ্যক্ৰমৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

এপ্ৰিল ৩০ ঃ আমাৰ চেইন্ট মেট্ৰিকুলেশ্বন স্কুল; নহিমিয়া বাইবেল কলেজ আৰু থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

মে' ০১ ঃ মিশ্বন কৰ্মকৰ্তাসকলৰ যি মহান অঙ্গীকাৰৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

মে' ০২ ঃ আমাৰ পালক এচ. চাম. ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গলৈ উপচি পৰা আশীৰ্বাদৰ বাবে প্ৰভুৰ প্ৰশংসা কৰো।

মে' ০৩ ঃ কৰ'ণা ভাইৰাচৰ পৰা তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সকলো কৰ্মচাৰীক নিৰাপত্তা প্ৰদান কৰাৰ বাবে প্ৰভুৰ প্ৰশংসা কৰো।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

মে' ০৪ ঃ ৰাচিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধ আৰু গোটেই পৃথিৱীলৈ শান্তিৰ প্ৰয়োজনীয়তাৰ বাবে অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক।

মে' ০৫ ঃ এই মাহৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যাবিলাকৰ বাবে ঈশ্বৰে আৰ্থিক প্ৰয়োজন যোগাই দিয়ে।

মে' ০৬ ঃ সকলো খ্ৰীষ্টিয়ান অনুষ্ঠানবিলাকৰ বাবে আমি প্ৰাৰ্থনা কৰোহক।

মে' ০৭ ঃ আমাৰ সহ-পৰিচালকসকল আৰু আৰু পালকসকলক ঈশ্বৰে নতুন উদ্যম দিয়ক।

মে' ০৮ ঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্য্যালৈ ঈশ্বৰে আৰু অধিক উৎসৰ্গিত কৰ্মীসকলক পঠিয়াওক।

মে' ০৯ ঃ মহিলা আৰু শিশুসকলৰ ওপৰত চলা অত্যাচাৰ নাশ হ'বলৈ প্ৰাৰ্থনা কৰক।

মে' ১০ ঃ পৃথিৱীৰ সকলো দেশৰ পৰা কৰ'ণা ভাইৰাচ নাশ হ'বলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

মে' ১১ ঃ আমাৰ মিশ্বন ফিল্ডৰ কৰ্মীসকলৰ বাবে আমি প্ৰাৰ্থনা কৰোহক।

মে' ১২ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহক অংশীদাৰসকল, বিশ্বাসী অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁবিলাকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে আমি প্ৰাৰ্থনা কৰোহক।

মে' ১৩ ঃ কৰ'না জ্বৰত যিসকলে তেওঁলোকৰ প্ৰিয়জনক হেৰুৱালে এনে শোকাতুৰ পৰিয়ালবৰ্গৰ বাবে প্ৰাৰ্থনা কৰোহক।

মে' ১৪ ঃ আমাৰ ইংৰাজীৰ সহকাৰী সম্পাদক ভাই এম. পৌলৰাজৰ সম্পূৰ্ণ সুস্থতাৰ বাবে আমি নিৰন্তৰে প্ৰাৰ্থনা কৰোহক।

মে' ১৫ ঃ আমাৰ জেষ্ঠ পালকৰ দ্বাৰা লিখি থকা তেওঁৰ জীৱনীক ঈশ্বৰে সফলতা প্ৰদান কৰিবলৈ প্ৰাৰ্থনা কৰক।

মে' ১৬ ঃ গোটেই পৃথিৱীত শান্তি হ'বলৈ প্ৰাৰ্থনা কৰক।

মে' ১৭ ঃ আমাৰ মুখ্য মণ্ডলী আৰু শাখা মণ্ডলীসমূহৰ বিশ্বাসীসকল, চলাওতাসকল, প্ৰাৰ্থনাৰ যুঁজাৰুসকলৰ বাবে প্ৰাৰ্থনা কৰক।

মে' ১৮ ঃ ঈশ্বৰে আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো অমঙ্গলৰ পৰা নিৰাপত্ত দিয়ক।

(চতুৰ্থ পৃষ্ঠাৰ পৰা)

## এজন ব্যক্তিয়ে কি কৰিব পাৰে ?

পৌলে তেওঁৰ নিজৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰি কয়। "মই খ্ৰীষ্টে সৈতে ক্ৰুচত হত হ'লো মই জীয়াই থকা বুলিলেও সেয়ে আৰু মই নহয়, খ্ৰীষ্টহে মোত জীয়াই আছে..." (গালাতীয়া ২:২০)। সাধাৰণ উক্তিত ক'বলৈ গ'লে, তেওঁ খ্ৰীষ্টৰ সৈতে মৰিল আৰু তেওঁত নিবাস কৰা ব্যক্তিজন হৈছে, খ্ৰীষ্ট !

ঈশ্বৰৰ ইচ্ছা এইয়ে যে আমি সকলোৱে খ্ৰীষ্টৰ বাহুলৈ আহিব লাগে, পৰিত্ৰাণৰ ডাঙৰ উপহাৰ ল'ব লাগে আৰু তেওঁৰ বাবে জীয়াই থাকি তেওঁৰ ৰাজ্যলৈ প্ৰৱেশ কৰিব লাগে।

পৌলে প্ৰত্যেকক বিনয় কৰি কয় ঃ এতেকে হে ভাইবিলাক, ঈশ্বৰৰ সকলো প্ৰকাৰ কৰুণাৰ দ্বাৰাই মই তোমালোকক এই বিনয় কৰো। তোমালোকে নিজ নিজ শৰীৰক জীৱিত, পবিত্ৰ আৰু ঈশ্বৰৰ গ্ৰহণীয় বলিস্বৰূপে উৎসৰ্গ কৰা; এয়েই তোমালোকৰ যুক্তিসঙ্গত আৰাধনা" (ৰোমীয়া ১২:১১)...

তেওঁ আৰু কয়, জগতৰ অনুৰূপ নহবা কিন্তু যিহতে ঈশ্বৰৰ ইচ্ছা অৰ্থাৎ উত্তম, গ্ৰহণীয় আৰু সিদ্ধ কি তাক পৰীক্ষা কৰি জানিবা তাৰ কাৰণে তোমালোকে নতুন মন কৰাৰ দ্বাৰাই আন ৰূপ ধৰা' (ৰোমীয়া ১২:২)।

প্ৰভুৰ সৈতে থাকিবলৈ ঈশ্বৰে প্ৰত্যেকৰে পৰা এটা সমৰ্পিত জীৱন বিচাৰে আৰু দ্বিতীয় গমনৰ সময়ত, যেতিয়া আমি ঈশ্বৰৰ তুৰী বাদ্য শুনিম, অন্য ৰূপৰ অভিজ্ঞতা পাম, যীচুৰ পুনৰুত্থানৰ শক্তিৰ দ্বাৰাই পুনৰুত্থিত হৈ আকাশৰ মাজভাগত, মেঘত প্ৰভু যীচুক লগ পাম আৰু স্বৰ্গলৈ নিয়া হ'ম আৰু স্বৰ্গৰ দুৱাৰবোৰত প্ৰৱেশ কৰিম আৰু তাত সিংহাসনত বহা আমাৰ পিতৃ, সৰ্বশক্তিমান ঈশ্বৰক লগ পাম (গীতমালা ১১:৪)।

## জগতখন কোনপিনে গৈ আছে ?

জগতৰ মানুহবিলাকে চয়তানৰ প্ৰতাৰণামূলক পদ্ধতিবোৰৰ দ্বাৰাই প্ৰলোভিত হয়, আৰু চয়তানে তেওঁবিলাকক হতবুদ্ধি কৰে, জগতৰ অভিলাষ বিলাকলৈ প্ৰলোভিত কৰে, তেওঁবিলাকৰ শান্তিক কাঢ়ি লয়, তেওঁবিলাকক উন্মাদ কৰে আৰু সি তেওঁবিলাকক তাৰ জগতলৈ টানি নিয়ে। জগতে এতিয়া তাৰ প্ৰদৰ্শনত সমৃদ্ধ হয়। তেওঁবিলাকে তেওঁবিলাকৰ চাৰিওফালে থকা মৃত্যুৰ ফাঁদবোৰক বুজি নাপায়। তেওঁবিলাকে কেতিয়াবাহে ঈশ্বৰৰ বাক্যলৈ কাণ দিয়ে। তেওঁবিলাকলৈ ক্ৰুচৰ শিক্ষাটো এটা অশ্লীল। তেওঁবিলাকে তেওঁবিলাকৰ প্ৰসাদ তুল্য ঘৰ, গাড়ীৰ দৰেনাও, তেওঁবিলাকৰ নিষ্পত্তি সমৃদ্ধিত, বেঙ্কত জমা ধনত, ভাৰ্যা আৰু সন্তানবিলাকত আৰু ইত্যাদিত অহঙ্কাৰ কৰে, কিন্তু খ্ৰীষ্টৰ পৰা বঞ্চিত। ক'ভিড-১৯ মহামাৰীত কিছু সময়ৰ ভিতৰত তেওঁবিলাকৰ অনেকে নাইকিয়া হৈ গ'ল। অক্সিজেন চিলিণ্ডাৰ বিচাৰি মানুহবিলাকে দৌৰা-দৌৰি কৰিছিল। ইয়াৰ অবিহনে বহুতৰে মৃত্যু ঘটিল। মেঘ বিস্ফোৰনে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ মানুহবিলাকৰ জীৱন কষ্টকৰ কৰি দিলে। অলপতে ইউৰোপীয় দেশসমূহত চীনে ১০০০ বছৰৰ অধিক সময়ৰ মানুহৰ ৰেকৰ্ড ভঙাৰ মাত্ৰাৰে বৃষ্টি বৰষালে ! ভূমিস্খলন, আগ্নেয়গিৰিৰ উদ্গিৰণ, ভূমিকম্প ইত্যাদিয়ে মানুহৰ জীৱনত কষ্ট আনি আছে। তথাপি তেওঁবিলাকে নিজকে নম্ৰ নকৰে আৰু নিজ-নিজ সম্পত্তিবোৰকলৈ অহঙ্কাৰ কৰিবলৈ বন্ধ নকৰে! বাইবেলত এইদৰে লিখা আছে ঃ

"যিহোৱাই এই কথা কৈছে, জ্ঞানীয়ে নিজ নিজ জ্ঞানত, বীৰে নিজ পৰাক্ৰমত আৰু ধনীয়ে নিজ ধনত গৌৰৱ নকৰক; কিন্তু যিজনে গৌৰৱ কৰে, তেওঁ ইয়াতহে গৌৰৱ কৰক যে, তেওঁ মোৰ বিষয়ে বুজে আৰু জানে যে, মই পৃথিৱীত দয়া, বিচাৰ আৰু ধাৰ্মিকতা সিদ্ধ কৰোঁতা যিহোৱা।

কিয়নো এইবোৰত মই সন্তোষ পাওঁ, ইয়াক যিহোৱা কৈছে" (যিৰিমিয়া ৯:২৩-২৪)।

এই পৃথিৱীত ঈশ্বৰে নিজেই দয়া, বিচাৰ আৰু ধাৰ্মিকতা সিদ্ধ কৰি আছে। ঈশ্বৰ হৈছে সৰ্বোচ্চ। স্বৰ্গ আৰু পৃথিৱী সৃষ্টি কৰোঁতা প্ৰভু যীচু খ্ৰীষ্টতকৈ আন কোনো শক্তিশালী ঈশ্বৰ এই পৃথিৱীত বা স্বৰ্গত নাই। সেই গতিকে পৌলে কয়ঃ

"কিন্তু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ ক্ৰুচত বাজে, আন কোনো কথাত শ্লাঘা কৰা মোৰ পৰা দূৰ হওক, সেই ক্ৰুচৰ দ্বাৰাই জগতখনেই মোলৈ আৰু মই জগতখনলৈ ক্ৰুচত হত হ'লো" (গালাতীয়া ৬:১৪)।

পৌলৰ বাবে, জগতখন উন্মুক্ত নহয় কিন্তু জগতখনক ক্ৰুচবিদ্ধ বা সীমাবদ্ধ কৰা হৈছে আৰু তেওঁ এই জগতলৈ ক্ৰুচবিদ্ধ হ'ল। জগতে বিচাৰৰ দৰে তেওঁক ব্যৱহাৰ কৰিব নোৱাৰে, কিন্তু তেওঁক ক্ৰুচবিদ্ধ কৰা হ'ল ! ঈশ্বৰৰ এজন দাসে তামিল ভাষাত, "মেনমাই পাৰাট্টুভেন" নামৰ এটি গীত ৰচিছিল ঃ

মই তোমাৰ নাম মহিমামণ্ডিত কৰিম
মই তোমাৰ নাম মহিমান্বিত কৰিম
মই কেৱল যীচুৰ প্ৰেমক মহিমান্বিত কৰিম!
ক্ৰুচ মোৰ শিগুত আছে, ক্ৰুচ মোৰ আশ্ৰয় হয়,
তোমালৈ প্ৰশংসা হওক যীচু,


## নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

মাধ্যম ঃ তামিল

ATA Regd. Candidate for Membership NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd.: 1969

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

**প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া**

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক
নামভৰ্তিৰ বাবে সোনকাল কৰক !

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

তোমালৈ প্ৰশংসা হওঁক !
কলবাৰীৰ যীচুৰ প্ৰশংসা হওঁক
মই ক্ৰুচবিদ্ধ হৈছিলো,
এয়ে মই নাছিলো, কিন্তু যীচুহে আছিল
মই মোত তেওঁক দেখুৱাম!
মই ক্ৰুচ তুলি ল'ম, মই ক্ৰুচ তুলি ল'ম
মই গৌৰৱৰ অৰ্থে মই ক্ৰুচ তুলি ল'ম!

এই গীতটি প্ৰত্যেক খ্ৰীষ্টিয়ানৰ বাবে হ'ব লাগে!

আমাৰ ঈশ্বৰ এজন তৃপ্ত ঈশ্বৰ হয়। তেওঁ যীচুক প্ৰকাশ কৰে। ঈশ্বৰৰ স্বৰ্গদূতৰ দৰে, তেওঁ আশীৰ্বাদ আৰু নিৰাপত্তাৰ ঈশ্বৰ হয়, তেওঁ ঈশ্বৰৰ দৰে নিজকে প্ৰকাশ কৰে, তেওঁ কাৰ্য্যৰ ঈশ্বৰ হয়, আৰু তেওঁ প্ৰভু ঈশ্বৰ হয়, তেওঁ অন্তিম ঈশ্বৰ হয় তেওঁ সকলো যোগায়। তেওঁৰ আন এটা আৰ্বিভাৱো আছে। তেওঁ অনন্তকলীয়া ঈশ্বৰ হয় সেয়ে হৈছে তেওঁ সৃষ্টিৰ আগতো আছিল, সৃষ্টিৰ সময়তো আছিল আৰু সৃষ্টিৰ পাছতো আছে। সেই গতিকে আমাৰ ঈশ্বৰ এজন আচৰিত ঈশ্বৰ হয়!

সাধু পৌলে প্ৰভুক আৰু অধিককৈ জানিবলৈ বিচাৰিছিল। যীচুক খ্ৰীষ্ট হিচাবে কেৱল জনাটোৱেই তেওঁৰ বাবে যথেষ্ট নাছিল। যীচুৱে স্বয়ং নিজেই কৈছিল, "আৰু একমাত্ৰ সত্য ঈশ্বৰ যি তুমি, তোমাক আৰু তুমি পঠোৱা যীচুখ্ৰীষ্টক জনা এয়েই অনন্ত জীৱন" (যোহন ১৭ঃ৩)।

খ্ৰীষ্টৰ বাবে তেওঁৰ অনুসন্ধানত পৌলে কয় যে যি বিষয়বিলাকক তেওঁ লাভ বুলি ভাৱে সেইবোৰ হৈছে তেওঁৰ বংশ, সমৃদ্ধি, বিধানৰ জ্ঞান, তেওঁৰ ৰোমীয়া নাগৰিকত্ব ইত্যাদি। তেওঁ এই সকলো বস্তুবোৰক খ্ৰীষ্টৰ বাবে হেৰুওৱা বুলি গণ্য কৰিছে। খ্ৰীষ্টৰ জ্ঞানৰ শ্ৰেষ্ঠতাৰ বাবে সকলো বস্তুক হেৰুওৱা বুলি তেওঁ গণ্য কৰিছে। কিয়নো তেওঁৰ পক্ষে যি যি লাভ আছিল, সেই সকলোকে খ্ৰীষ্টৰ নিমিত্তে তেওঁ হানি যেনেহে মানিছিল। লগতে তেওঁ তেওঁক পুনৰুত্থানৰ শক্তিক আৰু তেওঁৰ দুখভোগৰ সহভাগিতাৰ বিষয়ে জানিব বিচাৰে। আৰু তেওঁৰ মৃত্যুৰ সৈতে সমৰূপ হ'ব বিচাৰিছে (ফিলিপীয়া ৩ঃ৭,১০,১১)।

ফাদাৰ বাৰ্চমেনে এইদৰে গীত গায়। হে মোৰ ৰজা তোমাৰ উপস্থিতি পৰ্যাপ্ত সদায় মোলৈ পৰিপূৰ্ণ,
তোমাৰ উপস্থিতি, তোমাৰ উপস্থিতি
তোমাৰ স্বৰ্গীয় উপস্থিতি !
এতিয়াও মই তোমাক অধিক জানো,
এতিয়াও মই তোমাৰ ওচৰলৈ আহো !

## যীচুৱে আহ্বান কৰে !

"হে পৰিশ্ৰান্ত আৰু ভাৰক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আহা; মই তোমালোকক জিৰণী দিম" (মথি ১১ঃ২৮)।

এই আহবান তেওঁৰ নিজ লোক যিহুদাবিলাকৰ বাবে কেৱল নহয়, কিন্তু জাতি, বৰ্ণ, ভাষা-নিৰ্বিশেষে জগতৰ সকলোৰে বাবে হয়। যীচুৱে কৈছিল, "যি যি মানুহক মই প্ৰীতি কৰো, সেই সকলোকে অনুযোগ কৰো আৰু শাস্তি দিও। এই কাৰণে তুমি উদ্যোগী হৈ মন পালটোৱা। চোৱা, মই দুৱাৰত থিয় হৈ টুকুৰিয়াই থাকো, কোনোৱে যদি মোৰ মাত শুনি দুৱাৰ মেলে, তেন্তে মই তেওঁৰ তাত সোমাই তেওঁৰে সৈতে ভোজন কৰিম আৰু তেৰোঁ মোৰে সৈতে ভোজন কৰিব"।

(প্ৰকাশিত বাক্য ৩ঃ১৯,২০)।

বাইবেলে কয়, তেঁৱেই আমাৰ পাপৰ প্ৰায়শ্চিত্ত, কেৱল আমাৰেই নহয়, গোটেই জগতৰো" (১ যোহন ২ঃ২)।

যীচুৱে জগতৰ পৰিত্ৰাণৰ বাবে ক্ৰুচক আকোঁৱালি ল'লে। প্ৰভুৱে আদমৰ পৰা যীচুখ্ৰীষ্টলৈকে প্ৰথম অংশৰ এটা বৃহৎ দলৰ মানুহবিলাকৰ দ্বাৰাই তেওঁৰ ৰাজ্যক পৰিপূৰ্ণ কৰিবলৈ বিচাৰিছিল! জগতৰ ৰজাৰো ৰজা হিচাবে তেওঁৰ এহাজাৰ বছৰ ৰাজত্বৰ যোগেদি আন এটা বিভাগৰ বাবে তেওঁৰ পৰিকল্পনা আছিল। যিহুদাবিলাকৰ বাৰটা ফৈদক ক্লেশৰ সময়ত স্বৰ্গদূতবিলাকৰ দ্বাৰাই তেওঁবিলাকৰ কপালত চীল মৰা হ'ব। তেওঁবিলাকক ঈশ্বৰৰ দ্বাৰাই মনোনীত কৰা হ'ব আৰু তেওঁ তেওঁবিলাকৰ বাবে পুনৰ মৃত্যু হ'বলগীয়া নহ'ব।

এতিয়া ক্ৰুচৰ পৰা অনুগ্ৰহ আৰু দয়া প্ৰবাহিত হ'ব। অতীতৰ পুৰণি দিনত মানুহবিলাকে মহা পবিত্ৰ ঠাইত পৰ্দাৰ পাছফালে ৰখা নিয়ম চন্দুকৰ পৰা অনুগ্ৰহ পাইছিল। কিন্তু এতিয়া যীচুৰ ক্ৰুচৰ পৰাহে পায়! যিবিলাক মানুহে ক্ৰুচলৈ চাই নিজৰ বাবে মৰিব আৰু খ্ৰীষ্টৰ বাবে জীৱ আৰু যিবিলাক জীৱিত থাকিব খ্ৰীষ্টৰ বাবেহে জীয়াই থাকিব আৰু ঈশ্বৰৰ ৰাজ্যৰ উত্তৰাধিকাৰী হ'ব।

## শিষ্যবিলাকলৈ আহ্বান !

শিষ্যবিলাকলৈ কৰা আহবান, বিশ্বাসীবিলাকলৈ কৰা আহবানতকৈ বেলেগ। শিষ্যবিলাকলৈ কৰা আহ্বানত বহুত কষ্ট আৰু বলিদান থাকে। নিজকে, পৰিয়াল আৰু ঘৰখনক ত্যাগ কৰাটো সকলোৰে বাবে সহজ কথা নহয়। যদি কোনোৱে এনেধৰণৰ জাগতিক বস্তুবিলাকক ত্যাগ কৰে আৰু যীচুখ্ৰীষ্টক অনুসৰণ কৰে তেন্তে এইটো এক মহান বিষয় হ'ব ! তেওঁবিলাকক এক ডাঙৰ সন্মানেৰে পুৰস্কৃত কৰা হ'ব। তেওঁৰ শিষ্যবিলাকে তেনে এটা আহ্বানক বাচি লৈছিল আৰু তেওঁবিলাক পাঁচনি হ'ল। আজি বহুত মানুহে কোনো বলিদানৰ অভিজ্ঞতা নোহোৱাকৈ বা মণ্ডলী স্থাপন নকৰাকৈ নিজকে পাঁচনি বুলি কয়।

যীচুৱে কয়, "...কোনোৱে যদি মোৰ পাছত আহিবলৈ ইচ্ছা কৰে, তেওঁ নিজকে নিজে দমন কৰক আৰু নিজৰ ক্ৰুচ তুলি লৈ মোৰ পাছে পাছে আহক" (মাৰ্ক ৮ঃ৩৪)। পিতৰে প্ৰভুক ক'লে, "চাওঁক আমি সকলোকে এৰি আপোনাৰ পাছে পাছে আহিলো।" যীচুৱে ক'লে, "মই তোমালোকক স্বৰূপকৈ কওঁ, মোৰ নিমিত্তে আৰু শুভবাৰ্তাৰ নিমিত্তে ঘৰ বা ভাই-ভনী বা মাতৃ বা পিতৃ বা সন্তান বা মাটি এৰি ইহকালত তাড়নাৰে সৈতে ঘৰ, ভাই-ভনী, মাতৃ, সন্তান আৰু মাটি, এইবোৰৰ এশ গুণ আৰু পৰকালত অনন্ত জীৱন নাপাব, এনে কোনো নাই" (মাৰ্ক ১০ঃ২৮-৩০)। যিবিলাকে প্ৰভুক দিয়ে তেওঁলোক দৰিদ্ৰ নহ'ব। প্ৰভুৱে পিতৰক পুনৰ ক'লে, "মই তোমালোকক স্বৰূপকৈ কওঁ, নতুন সৃষ্টিত যেতিয়া মানুহৰ পুত্ৰ নিজ প্ৰভাৱৰ সিংহাসনত বহিব, তেতিয়া মোৰ পাছে পাছে অহা তোমালোকে বাৰখন সিংহাসনৰ ওপৰত বহি ইস্ৰায়েলৰ বাৰ ফৈদৰ সোধ-বিচাৰ কৰিবা" (মথি ১৯ঃ২৭-২৮)।

ক্ৰুচে বিশ্বাসীবিলাকলৈ বহুত আশীৰ্বাদ কঢ়িয়াই আনে। কিন্তু বোধকৰো ক্ৰুচৰ বিষয়ে শিক্ষা দিলে, বহুতে উন্মাদ হৈ যায়। তেওঁবিলাকে চয়তানৰ হাতৰ মুঠিত বন্ধ হৈ আছে আৰু ধ্বংসৰ পিনে আগবাঢ়ি গৈ আছে। যি কি নহওক খ্ৰীষ্টৰ প্ৰেমৰ সোৱাদ লোৱা ক্ৰুচৰ মহানতাক গ্ৰহণ কৰা প্ৰত্যেক খ্ৰীষ্টিয়ান লোকে, সেই আগবাঢ়ি গৈ থকা লোকবিলাকক মাতিব লাগে আৰু তেওঁবিলাকেও যাতে নিজক নিজে ৰক্ষা কৰে এই বুলি তেওঁবিলাকক খ্ৰীষ্টৰ প্ৰেমৰ অধীনত আনিব লাগে। আজি হাজাৰ হাজাৰ লোকবিলাকে খ্ৰীষ্টৰ প্ৰেমৰ অধীনত আৰু ক্ৰুচৰ মহানতাৰ অধীনত আহি আছে ! আমাৰ বাবে ক্ৰুচৰ বিষয়ে শিক্ষাটো হৈছে ঈশ্বৰৰ শক্তি! আমেন !!

❖❖❖❖❖



# গৰাহৰ পৰা ৰাজগৃহলৈ
# PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## ঈশ্বৰৰ দ্বাৰাই উত্তম পৰিস্থিতিবোৰক যোগোৰা হ'ল

কান্নাতুভিলাই নামৰ সৰু গাঁও এখনৰ এখন চৰকাৰী বিদ্যালয়ত মই মোৰ প্ৰাথমিক শিক্ষা শেষ কৰাৰ পাছত, মোৰ পিতৃ-মাতৃয়ে মোক আত্মিক দিশত ডাঙৰ-দীঘল কৰাৰ উদ্দেশ্যেৰে নেয়ুৰত থকা হেকাৰ মেম'ৰিয়েল আপাৰ প্ৰাইমেৰী স্কুল নামৰ




Government School, Kannatuvilai



Hacker Memorial Upper Primary School



Government High School, Eranial




Lakshmipuram College

এখন খ্ৰীষ্টিয়ান মধ্যম স্কুলত মোৰ নামভৰ্তি কৰাই দিছিল। এই স্কুলখনত মোৰ ষষ্ঠ শ্ৰেণীৰ পৰাহে প্ৰথমবাৰ ইংৰাজী শিকোৱা হৈছিল। এই স্কুলখন এখন সৰু নগৰ নেয়ুৰত আছিল, তাৰ পৰা মোৰ ঘৰ ৫ কিঃমিঃ দূৰত আছিল। মোৰ পিতৃ-মাতৃয়ে মোক প্ৰত্যেক দিনত ১০ কিঃ মিঃ খোজকাঢ়ি অহা-যোৱা কৰিবলৈ শিকাইছিল। সেই স্কুলখনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ মৰম, জ্ঞান, উৎসৰ্গ আৰু বলিদানলৈ মই আকৰ্ষিত হৈছিলো। তাৰ পাছত মই নেয়ুৰতে চৰকাৰী স্কুল ইৰানিয়েলত অধ্যয়ন কৰিলো আৰু লক্ষ্মীপুৰাম কলা আৰু বিজ্ঞান কলেজত অধ্যয়ন কৰিলো।

ৰেভাঃ কেচাৰি, শ্ৰীযুক্ত মুথাইআহ (প্ৰধান শিক্ষক), শ্ৰীযুক্ত চি, দেৱাদাস, শ্ৰীযুক্তা পি, লিচি আৰু আন-আনসকলৰ কঠোৰ পৰিশ্ৰমে মোক এজন ঈশ্বৰৰ শ্ৰদ্ধা কৰা ব্যক্তি হিচাবে গঢ়ি তুলিলে। মোৰ কিছুমান শাৰীৰিক অসুস্থতা থকাৰ বাবে মোৰ হীনতা ভাৱ আছিল গতিকে মই আন ছাত্ৰ-ছাত্ৰীৰ লগ লোৱা নাছিলো।



*Mrs. B. Annabai Moses, Mrs. Stella Hepsibah and Mrs. J. Saroja Thangavadivu (Left to Right)*



*Photo taken on the retirement day of Mr. C. Devadhas (Sitting : 4th person from Left to Right)*

শ্ৰীযুক্ত চুন্দাৰাৰাজ আৰু মহিলা শিক্ষকসকল শ্ৰীযুক্তা ষ্টেলা হেপচিভা চেল্লাপ্পা, শ্ৰীযুক্তা, বি, অন্নাবাই মজেচ, শ্ৰীযুক্তা জে, চাৰজা থাঙাভাদিভু, শ্ৰীযুক্তা ইথাৰঝা, মোৰ শিক্ষকসকল শ্ৰীযুক্ত চি, দেভাদাস, শ্ৰীযুক্ত চুন্দাৰাৰাজ, শ্ৰীযুক্তা বি, আন্নাবাই মজেচ, শ্ৰীযুক্তা, ষ্টেলা হেপচিভা চিল্লাপ্পা আৰু শ্ৰীযুক্তা, জে, চাৰজা থাঙা ভাদিভো, মোক উন্নত কৰাত আৰু প্ৰেৰণা যোগোৱাত তেখেতসকলে এটা গুৰুত্বপূৰ্ণ ভূমিকা আদায় কৰিছিল। শিক্ষকসকলৰ মোৰ প্ৰতি থকা প্ৰেম আৰু উদ্বেগৰ বাবে মই জীৱিত ঈশ্বৰ যীচুখ্ৰীষ্টৰ ফালে চলি গ'লো।

তেওঁলোকে মোক দৰিদ্ৰ আৰু দুৰ্বলতাৰে পূৰ্ণ নিম্নবিত্ত লোকবিলাকক প্ৰেম কৰিবলৈ শিকালে। সেইখন স্কুলতে শিক্ষকসকলে মোক বাইবেলত থকা গভীৰ ৰহস্যবিলাকক শিকালে। আৰু মোৰ যৌৱনকালত তলত উল্লেখ কৰা বাইবেলৰ অধ্যায় পদবোৰক শিকালে ঃ গীতমালা ১, ২, ২৩, ৯১, ১২১, ১৩৬, ১ কৰিন্থীয়া ১৩ অধ্যায়, মথি ৪, ৫, আৰু ৬ অধ্যায়। কঠোৰ পৰিশ্ৰম, সততা আৰু সৰলতাৰ গুৰুত্বতাৰ বিষয়ে শিকিলো। যেতিয়া মই ডাঙৰ হ'লো সেই অভিজ্ঞতাবিলাকে মোক চেইন্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলখন চলাবলৈ প্ৰেৰণা দিলে। মোৰ শ্ৰেণীৰ নলে-গলে লগা বন্ধুসকল, ভাই, বি, ই'ম্মানুৱেল মনহাৰান, ৰেভাঃ চাম প্ৰচুদাচ,



Bro. B. Emmanuel Manoharan



Bro. G. Jeyananda Paulmony (late)

ভাই, চাৰ্লেচ পেন বেন্টলি, ভাই, ছাঙৰাচাল, ভাই, হাৰিচন ফেচটাচ যোৰেল, ভাই, ৰাভি দেভাধানাম, ভাই, ডি, ডি, ৰাজান, ভাই, এওডচন মোহন, ৰেভাঃ ডা এ, ছেলভা ৰাজ, আৰু ভাই, জি, জেয়ানানদা পৌলমনি সকল মোৰ আত্মিক বন্ধু আছিল। আজি তেওঁলোক প্ৰভু যীচুখ্ৰীষ্টৰ আগৰণুৱা পৰিচৰ্য্যাকাৰী হিচাবে কাৰ্য্য কৰি আছে, কিন্তু তেওঁলোকৰ মাজৰ দুজন ভাই, হাৰিচন ফেচটাচ যোৰেল আৰু ভাই, জেয়ানানদা পৌলমনি এতিয়া ঈশ্বৰৰ ওচৰত আছে।

এইদৰে প্ৰভু ঈশ্বৰে ক্ৰমে ক্ৰমে এটা শক্তিশালী ভেটি গঠন কৰিলে, যাতে মই ঈশ্বৰৰ এজন সেৱক হিচাবে আৰ্বিভাৱ হ'ব পাৰো, যিজনে ঈশ্বৰৰ পৰিচৰ্য্যাক প্ৰেম কৰিব পাৰিব আৰু আত্মিকতাৰ গভীৰতাক বুজিব পাৰিব। ■ ■ ■

# নহিমিয়া বাইবেল কলেজৰ পৰা জাননী

গত কেইটামান বছৰৰ ভিতৰতে ক'ভিড-১৯ মহামাৰীৰ বাবে আমাৰ পৰিচৰ্য্যাসমূহ অৰ্থনৈতিকভাৱে ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈ আছিল। ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই আমি এই সকলো কঠিন পৰিস্থিতিৰ পৰা অতিক্ৰম কৰিবলৈ চেষ্টা কৰি আছো। ঈশ্বৰলৈ গৌৰৱ হওঁক।





এচিয়ান থি'য়লজীকেল এচচিয়েশ্বন (এ, টি, এ) ৰ দ্বাৰাই নিৰ্ধাৰিত নিয়ম অনুযায়ী আমাৰ কলেজখন ৰেজিষ্টাৰ কেণ্ডিডেট ফৰ মেম্বাৰচিপ' বুলি অনুমোদিত হৈছে, আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অন্তত ৮,০০০ পুস্তক থকা এখন পূৰ্ণাঙ্গ পুথিভঁৰাল থাকিব লাগিছিল। আমাৰ ২,০০০ খন পুস্তক ইতিমধ্যে আছিল। বাকীখিনি পুস্তক কিনিবলৈ আমাৰ হাতত কোনো সূত্ৰ নাছিল। কিন্তু বহু দিন ধৰি আমি এই প্ৰয়োজনীয় বিষয়টিৰ বাবে প্ৰাৰ্থনা কৰি আছিলো।

আমাৰ প্ৰাৰ্থনাৰ উত্তৰ পালো, আমাৰ এজন বন্ধুৱে প্ৰায় ৪,০০০ পুস্তক দান কৰিলে। মহান প্ৰচেষ্টাৰ ফলত, ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই আমি ১৯ খন ষ্টিলৰ আলমাৰি, কিনিবলৈ সমৰ্থ হ'লো আৰু পুস্তকখিনিক সাৱধানে তাত ৰাখিছো।

এতিয়া, আমি কম্পিউটাৰত এই পুস্তকসমূহৰ শিৰোনামা আৰু আন আন তথ্যসমূহক আপলোড কৰিব লাগিব আৰু সঠিকভাৱে যত্নেৰে ৰাখিব লাগিব, কিয়নো ইয়াৰ বাবে যথেষ্ট আৰ্থিক খৰছ আৰু কঠোৰ পৰিশ্ৰম লিপ্ত হৈ আছে। ইতিমধ্যে আমি আমাৰ নহিমিয়া বাইবেল কলেজৰ অনুযদ সদস্যৰ, পালকসকলৰ আৰু কৰ্মীসকলৰ মাহেকীয়া বেতনৰ খৰছ বহন কৰাত, ছপাশালৰ কাগজ ক্ৰয় কৰাত, ছপাশালৰ আন আন বস্তুৰ বাবে খৰছ বহন কৰাত, যাত্ৰা খৰছ ইত্যাদিৰ পৰিচালনা কৰাত সমস্যাৰ সন্মুখীন হৈ আছো। আমাৰ এই চাহিদাবোৰ পূৰণৰ বাবে আমি প্ৰচাৰ নকৰো। কিন্তু আমি মহান বিশ্বাস আৰু প্ৰাৰ্থনা আৰু মহান প্ৰচেষ্টা বিনিয়োগ আৰু অনুশীলন কৰাৰ দ্বাৰাই এই সকলো খৰছসমূহ বহন কৰি আছো। এই ক্ষণত এই পুস্তকখিনিক কম্পিউটাৰাইজড কৰি সঠিকভাৱে ৰাখিব লাগিব আৰু নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰৰ বাবে আনিব লাগিব, যাৰ বাবে তলত উল্লেখ কৰা জৰুৰী চাহিদা লাগিব ঃ

| | |
|---|---|
| ১। দুটা কম্পিউটাৰ প্ৰতিটোৰ মূল্য -৫৫,০০০ - | ১১০,০০০ টকা |
| ২। কম্পিউটাৰৰ বাবে চফট্‌ৱেৰ | - ২০,০০০ টকা |
| ৩। আপলোড কৰিবলৈ আৰু পুস্তকখিনিক এণ্ট্ৰি কৰিবলৈ } | - ৩০,০০০ টকা |
| ৪। আন আন খৰছ | - ১০,০০০ টকা |
| মুঠ খৰছ | - ১৭০,০০০ টকা |

এই জৰুৰী চাহিদাসমূহক গোটাবলৈ আমাৰ বাবে যথেষ্ট কঠিন হ'ব। এই প্ৰয়োজনীয় বস্তুবিলাকৰ বাবে অনুগ্ৰহ কৰি যোগালৈ নিৰন্তৰে প্ৰাৰ্থনা কৰক। যদি ঈশ্বৰে আপোনাৰ হৃদয়ক অনুপ্ৰাণিত কৰিছে, তেন্তে আপুনিও ইয়াৰ বাবে অলপ ধন দান দিয়াৰ দ্বাৰাই বা ওপৰত উল্লেখ কৰা এটা বস্তু দিয়াৰ দ্বাৰাই বা গোটেই ধন দান দিয়াৰ দ্বাৰাই সহায় কৰক। আমাক সহায় কৰিবলৈ আমি আমাৰ বন্ধুসকলক আমি বাধ্য নকৰো। আমি আপোনালৈ এই সকলো বিষয় জনোৱাৰ উদ্দেশ্য হৈছে কিয়নো আপোনালোক আমাৰ সহকৰ্মী হয়। অনুগ্ৰহ কৰি আমাক ভুল নুবুজিব। দায়ী কৰি এই অনুৰোধৰ বাবে প্ৰাৰ্থনা কৰক।

আমিও আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰো। প্ৰভু যীচু খ্ৰীষ্টই আৰু অধিককৈ আপোনালোকক আশীৰ্বাদ কৰক!

- সম্পাদক

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি ইউ টিউব

যেতিয়া আপুনি সময় পাব দয়া কৰি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউ টিউব চেনেলটোক চাব আৰু চাবচ্ক্ৰাইব কৰিব। ধন্যবাদ।

— সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

ECHO OF HIS CALL
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATIONS BY ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th APRIL 2022
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**